প্ৰতি,

মাননীয় অধ্যক্ষ মহোদয়

..................................

মহাশয়,

শ্ৰদ্ধা গ্ৰহণ কৰিব । নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত নৈ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উত্তৰণৰ উদ্দেশ্যে 'চৰ্চা' শীৰ্ষক অনুষ্ঠানৰ লগত সংগতি ৰাখি ইংৰাজী ১৯ ফেব্ৰুৱাৰি, ২০২২ তাৰিখে দিনৰ ১১.৩০ বজাত "পৰীক্ষাত ভাল ফলাফল লাভ কৰা কৌশল" বিষয়ক এখনি আলোচনা সত্ৰৰ আয়োজন কৰা হৈছে । আলোচনা সত্ৰখনিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল হাজৰিকা দেৱে মুখ্য আলোচক ৰূপে অংশগ্ৰহণ কৰিব । গতিকে আপোনাৰ বিদ্যালয়ৰ পৰা কমেও ১০ গৰাকী ছাত্ৰ-ছাত্ৰীক সাদৰে আমন্ত্ৰণ জনালোঁ ।

আশাকৰোঁ আমাৰ আমন্ত্ৰণ ৰক্ষা কৰি ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব । পুনৰ শ্ৰদ্ধাৰে-

ভৱদীয়

(ৰীতা শৰ্মা)
ভাৰপ্ৰাপ্ত অধ্যক্ষ
নৈ মহাবিদ্যালয়

# নৈে মহাবিদ্যালয়ৰ অসমীয়া বিভাগত
# 'চৰ্চা' শীৰ্ষক আলোচনা সত্ৰ

বিষয় : পৰীক্ষাত সফলতা লাভৰ কৌশল
স্থান : নৈে মহাবিদ্যালয়
তাৰিখ : ১৯ ফেব্ৰুৱাৰি,২০২২

নৈে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰকৃত জীৱন গঢ়াৰ লক্ষ্য আগত ৰাখি নৈে মহাবিদ্যালয়ত 'পৰীক্ষাত সফলতা লাভৰ কৌশল' বিষয়ত এদিনীয়াকৈ 'চৰ্চা' শীৰ্ষক এখনি আলোচনা সত্ৰ অনুষ্ঠিত হয় । নৈে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাৰ সঞ্চালনাত আৰম্ভ হোৱা সত্ৰখনিত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাৰ ৰচনা আৰু পৰিচালনাৰে ছাত্ৰ-ছাত্ৰীসকলে এটি সমবেত কণ্ঠৰ গীত পৰিবেশন কৰে।




অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুণু দেৱীয়ে আলোচনা সত্ৰখনিলৈ আমন্ত্ৰিত অভ্যাগতসকলক আনুষ্ঠানিক ভাবে আদৰণী জনায় । উদ্দেশ্য ব্যাখ্যা প্ৰসংগত আলোচনা সত্ৰৰ সমন্বয়ক ড০ বসন্ত বৰাই 'মূলতঃ ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক তথা ব্যক্তিগত জীৱনত সফলতা লাভ কৰিবলৈ কেনেদৰে আগবঢ়া উচিত তাৰেই পৰামৰ্শমূলক বাৰ্তা প্ৰদানৰ বাবে সত্ৰখন অনুষ্ঠিত কৰা হৈছে' বুলি মত আগবঢ়ায় । নৈে মহাবিদ্যালয়, নৈে উচ্চতৰ মাধ্যমিক বিদ্যালয়, কমলা নেহৰু ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, অভিজ্ঞান কনিষ্ঠ মহাবিদ্যালয়,পাথৰি শংকৰদেৱ শিশু বিদ্যানিকেতন প্ৰমুখ্যে পাৰ্শ্বৱৰ্তী বহু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে জীপাল হোৱা অনুষ্ঠানটিত সমল ব্যক্তি ৰূপে উপস্থিত থাকে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল হাজৰিকা । বক্তব্য প্ৰসংগত তেওঁ কয় - 'প্ৰথমতে আমি নিজক আৱিষ্কাৰ কৰিবলৈ শিকিব লাগে । যিকোনো পৰিৱেশত নিজক গ্ৰহণ কৰিব পৰা সক্ষমতাই আত্মবিশ্বাস বঢ়াই তোলে । সঁচা অন্তৰৰে কৰা কামৰ সফলতা অনিবাৰ্য ।' হাজৰিকা ডাঙৰীয়াই নিজৰ সাৰুৱা ভাষণৰ লগত সংগতি ৰাখি আগবঢ়োৱা বাস্তৱ অভিজ্ঞতা সমৃদ্ধ কাহিনীমূলক উদাহৰণে সকলোকে মুগ্ধ কৰে । অনুষ্ঠানটিত মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ শ্ৰেষ্ঠ অংশগ্ৰহণকাৰী ছাত্ৰী কৰিস্মিতা দাসক পুৰস্কাৰ প্ৰদান কৰা হয় । অসমীয়া বিভাগৰ অতিথি সহকাৰী অধ্যাপিকা নমিষা ভূঞাই আঁত ধৰা সত্ৰখনিত গ্ৰন্থাগাৰিক ড০ হেমলতা দেৱী; ড০ দিগন্ত বৰা,বনজ্যোতি গায়ন,কবিতা দেৱী কুশ্ৰে,সাগৰ সুবেদী,ৰণজিৎ শইকীয়া,ৰাতুল শইকীয়া,কল্যাণ নাথ,মেৰীৰাণী দেৱী, ড০ সুকন্যা বৰা,ভনিতা শইকীয়া, জ্যোতিশিখা শৰ্মা আৰু সংগীতা শইকীয়া প্ৰমুখ্যে অধ্যাপিক-অধ্যাপিকাসকল ; জোনমণি বৰুৱা, পংকজ ভট্টাচাৰ্য,পুলিন মুদৈ,অমৃত মুদৈ, দিব্যমণি নাথ প্ৰমুখ্যে কৰ্মচাৰীসকল উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে । সদৌ শেষত অসমীয়া বিভাগৰ অতিথি সহকাৰী অধ্যাপিকা ভাগ্যশ্ৰী বৰাৰ শলাগ জ্ঞাপনৰে আলোচনা সত্ৰখনিৰ সফল সমাপন হয় ।

***


GPS Map Camera
Na-Gosai Khat, Assam, India
7PFJ+344, Na-Gosai Khat, Assam 782003, India
Lat 26.27274°
Long 92.730023°
19/02/22 11:29 AM


GPS Map Camera
Na-Gosai Khat, Assam, India
7PFJ+344, Na-Gosai Khat, Assam 782003, India
Lat 26.27274°
Long 92.730023°
19/02/22 11:55 AM